## ৬০খন মহাবিদ্যালয়ৰ ১,৪০০ শিক্ষাৰ্থী-প্ৰতিযোগীৰ অংশগ্ৰহণ

# নামতিৰ পিয়লি ফুকন কলেজত ডিব্ৰুগড় বিশ্বঃবিৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ আৰম্ভ

**পতাকা উত্তোলন ডিব্ৰুগড় বিশ্বঃবিৰ পঞ্জীয়ক ড° পৰমানন্দ সোণোৱাল, যুৱ মহোৎসৱ উদ্বোধন উপাচাৰ্য ড° জিতেন হাজৰিকাৰ**



**নিয়মীয়া বাৰ্তা, নামতি, ২১ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ নামতিস্থিত শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ পিয়লি ফুকন সমন্বয় ক্ষেত্ৰত আজিৰে পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ আৰম্ভ হৈছে। ২৪ জানুৱাৰীলৈকে উদ্‌যাপিত হ'বলগীয়া এই অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ প্ৰায় ৬০খন মহাবিদ্যালয়ৰ ১৪০০ প্ৰতিযোগীয়ে ১১ পৃষ্ঠাত

**বায়ুৰ গুণাগুণৰ সূচাংক মান**

২১ জানুৱাৰী ২০২৫

কাৰ্যসূচী প্ৰত্যাহাৰ কৰে।

# নামতিৰ পিয়লি ফুকন কলেজত ডিব্ৰুগড় বিশ্বঃবিৰ

অংশগ্ৰহণ কৰিছে। আজি পুৱা ৯ বজাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° পৰমানন্দ সোণোৱালে বিশ্ববিদ্যালয়ৰ পতাকা আৰু ক্ৰীড়া পৰিষদৰ পতাকা ছাত্ৰ পৰিক্ৰমা বিভাগৰ ডীন তথা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ সাংস্কৃতিক সমন্বয়ক ড° সুৰজিৎ বৰকটকীয়ে উত্তোলন কৰে। অংশগ্ৰহণ কৰা মহাবিদ্যালয়সমূহৰ পতাকা উত্তোলন কৰে নিৰ্দিষ্ট মহাবিদ্যালয়ৰ অধ্যক্ষ তথা তত্ত্বাৱধায়কসকলে। পুৱা ১১ বজাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত মহাবিদ্যালয় সংগীতেৰে আৰম্ভ হোৱা যুৱ মহোৎসৱ উদ্বোধন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই। সভাপতিত্ব কৰে উদ্‌যাপন সমিতিৰ সভাপতি তুলসী শেনচোৱাই। আদৰণী ভাষণ আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱজ্যোতি নাথে। এই অনুষ্ঠানত যুৱ মহোৎসৱৰ স্মৃতি গ্ৰন্থ 'নৱ ঈক্ষণ' উন্মোচন কৰে নাজিৰা বিধানসভা সমষ্টিৰ বিধায়ক দেবব্ৰত শইকীয়াই আৰু শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ শিক্ষক গোটৰ দ্বাৰা প্ৰকাশিত গৱেষণা গ্ৰন্থ 'নিবন্ধবিবিধা' North East India Challenges and Opportunities উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ পৰিক্ৰমা বিভাগৰ ডীন সুৰজিৎ বৰকটকীয়ে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ডৰ ক্ষেত্ৰ প্ৰধান জয়ন্ত দত্ত ,অসম কলেজ অধ্যক্ষ পৰিষদৰ সভাপতি ড° সৌমাৰ জ্যোতি মহন্ত, গড়গাঁও কলেজৰ অধ্যক্ষ ড° সব্যসাচী মহন্ত, দিখৌমুখ কলেজৰ অধ্যক্ষ ড° ৰণজিৎ বৰুৱা, বিদ্যালয়সমূহৰ পৰিদৰ্শক দেবজ্যোতি গগৈ, সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক সমীৰণ ফুকন আদি ব্যক্তিসকল। উদ্বোধনী অনুষ্ঠানৰ আঁত ধৰে উদ্‌যাপন সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক ড° বিমান চন্দ্ৰ বৰাই। এই মহোৎসৱত ২৪ জানুৱাৰীলৈ সাহিত্য-সংস্কৃতি আৰু সুকুমাৰ কলা বিষয়ৰ বিভিন্ন শিতানৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হ'ব। ২৪ জানুৱাৰীৰ দুপৰীয়া ১২ বজাত হ'বলগীয়া বঁটা-বিতৰণী আৰু সামৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব ভাৰত চৰকাৰ বন্দৰ, জাহাজ, জলপৰিবহণ বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আৰু আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰিব অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই।

## নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত উখল-মাখল পৰিৱেশ

# ডিব্ৰুগড় বিশ্ববিঃ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ

**প্ৰতিবেদক, নামতি, ২১ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ বৃহত্তৰ নামতি অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ আজি এক উখল-মাখল পৰিৱেশত শুভাৰম্ভ হয়। ২১ৰ পৰা ২৪ জানুৱাৰীলৈকে পিয়লি ফুকন সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হোৱা এই *৮ পৃষ্ঠাত*



# ডিব্ৰুগড় বিশ্ববিঃ

অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ উজনি অসমৰ ৫৭ খন মহাবিদ্যালয়ৰ প্ৰায় ১,৪০০ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে। উক্ত অনুষ্ঠানত আজি পুৱা ৮.৩০ বজাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° পৰমানন্দ সোনোৱালে বিশ্ববিদ্যালয়ৰ পতাকা আৰু ক্ৰীড়া পৰিষদৰ পতাকা ছাত্ৰ পৰিক্ৰমা বিভাগৰ ডীন তথা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ সাংস্কৃতিক সমন্বয়ক ড° সুৰজিৎ বৰকটকীয়ে উত্তোলন কৰে। তদুপৰি অংশগ্ৰহণ কৰা মহাবিদ্যালয়সমূহৰ পতাকা উত্তোলন কৰে নিৰ্দিষ্ট মহাবিদ্যালয়ৰ অধ্যক্ষ তথা তত্ত্বাৱধায়কসকলে। তাৰ পিছতে উদ্‌যাপন সমিতিৰ সভাপতি তুলসী শেনছোৱাৰ পৌৰোহিত্যত যুৱ মহোৎসৱৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয় নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱজ্যোতি নাথে আদৰণী ভাষণ আগবঢ়োৱা উক্ত অনুষ্ঠানৰ শুভ উদ্বোধন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই। এই অনুষ্ঠানত যুৱ মহোৎসৱৰ স্মৃতিগ্ৰন্থ 'নৱ ঈক্ষণ' উন্মোচন কৰে নাজিৰা বিধানসভা সমষ্টিৰ বিধায়ক দেৱব্ৰত শইকীয়াই আৰু শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ শিক্ষক গোটৰ দ্বাৰা প্ৰকাশিত গৱেষণা গ্ৰন্থ 'নিবন্ধ বিবিধা' North-East India Challenges and Opportunities উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ পৰিক্ৰমা বিভাগৰ ডীন সুৰজিৎ বৰকটকীয়ে। উদ্‌যাপন সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক ড° বিমান চন্দ্ৰ বৰাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানটোত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম কলেজ অধ্যক্ষ পৰিষদৰ সভাপতি ড° সৌমাৰজ্যোতি মহন্ত, দিখৌমুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ৰঞ্জিত বৰুৱা, বিদ্যালয়সমূহৰ পৰিদৰ্শক দেৱজ্যোতি গগৈ, অসম প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ ক্ষেত্ৰ প্ৰধান জয়ন্ত দত্ত, আছুৰ সহকাৰী সাধাৰণ সম্পাদক লগতে ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আনহাতে, দিনৰ প্ৰায় ১১.৩০ বজাত অসম প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ সৌজন্যত পৰিৱেশ সজাগতা অনুষ্ঠান অনুষ্ঠিত হয় দুপৰীয়া সাহিত্য-সংস্কৃতি আৰু সুকুমাৰ কলা বিষয়ৰ বিভিন্ন শিতানৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। সন্ধিয়া একাংকিকা নাট প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে। উল্লেখ্য যে নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ২০২৫ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱে বিভিন্ন জিলা ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণে এক অনন্য পৰিৱেশৰ সৃষ্টি কৰিছে মহাবিদ্যালয় প্ৰাংগণ।

# নামতিত আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ আৰম্ভ



**নামতি ঃ ব্ৰজন সংবাদদাতা, ২১ জানুৱাৰী ঃ** নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত চাৰিদিনীয়া কাৰ্যসূচীৰে ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ অনুষ্ঠিত হৈছে। আজি পুৱা বিশ্ববিদ্যালয়ৰ পতাকা, ক্ৰীড়া পৰিষদৰ পতাকা আৰু মহাবিদ্যালয়সমূহৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ পাতনি মেলে ক্ৰমে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° পৰমানন্দ সোণোৱাল, বিশ্ববিদ্যালয়ৰ ডীন ড° সুৰজিৎ বৰকটকী আৰু নিৰ্দিষ্ট মহাবিদ্যালয়সমূহৰ অধ্যক্ষসকলে। শ্বহীদ তৰ্পণ কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক সমীৰণ ফুকনে। উদ্বোধনী অনুষ্ঠানত সভাপতিত্ব কৰে উদ্‌যাপন সমিতিৰ সভাপতি তুলসী শেনচোৱাই। অনুষ্ঠান উদ্বোধন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই। ভাষণ প্ৰসংগত উপাচাৰ্যগৰাকীয়ে সাংস্কৃতিক আৰু ক্ৰীড়া ক্ষেত্ৰত যুৱ সমাজক আগুৱাই নিয়াত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে গ্ৰহণ কৰা পদক্ষেপ সম্পৰ্কে অৱগত কৰে। আদৰণী ভাষণ আগবঢ়ায় বিশ্ববিদ্যালয়খনৰ ডীন ড° সুৰজিৎ বৰকটকী আৰু নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱজ্যোতি নাথে। স্মৃতিগ্ৰন্থ উন্মোচন কৰে অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে দেৱব্ৰত শইকীয়া, ড° পৰমানন্দ সোণোৱাল আৰু শিৱসাগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক দেৱজ্যোতি গগৈ, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰ জ্যোতি মহন্ত, গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্ত আৰু অসম প্ৰদূষণ নিয়ন্ত্ৰণ বিভাগৰ বিষয়া জয়ন্ত দত্ত আদিয়ে।

# শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ আৰম্ভ

'আমাৰ অসম'ৰ নামতিদ'লৰ প্ৰতিবেদক, ২১ জানুৱাৰী ঃ শিৱসাগৰ জিলাৰ নামতিৰ শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ পিয়লি ফুকন সমন্বয় ক্ষেত্ৰত আজিৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ আৰম্ভ হৈছে। ২৪ জানুৱাৰীলৈকে উদ্‌যাপিত হ'বলগীয়া এই অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ প্ৰায় ৬০খন মহাবিদ্যালয়ৰ ১,৪০০ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে। আজি পুৱা ৯ বজাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° পৰমানন্দ সোণোৱালে বিশ্ববিদ্যালয়ৰ পতাকা আৰু ক্ৰীড়া পৰিষদৰ পতাকা ছাত্ৰ পৰিক্ৰমা বিভাগৰ ডীন তথা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ সাংস্কৃতিক সমন্বয়ক ড° সুৰজিৎ বৰকটকীয়ে উত্তোলন কৰে। অংশগ্ৰহণ কৰা মহাবিদ্যালয়সমূহৰ পতাকা উত্তোলন কৰে নিৰ্দিষ্ট মহাবিদ্যালয়ৰ অধ্যক্ষ তথা তত্ত্বাৱধায়কসকলে। ১১ বজাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত মহাবিদ্যালয় সংগীতেৰে আৰম্ভ হোৱা যুৱ মহোৎসৱৰ উদ্বোধনী সভাখন উদ্বোধন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই। সভাপতিত্ব কৰে উদ্‌যাপন সমিতিৰ সভাপতি তুলসী শেনচোৱাই। আদৰণী ভাষণ আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱজ্যোতি নাথে। এই অনুষ্ঠানত যুৱ মহোৎসৱৰ স্মৃতি গ্ৰন্থ 'নৱ ঈক্ষণ' উন্মোচন কৰে নাজিৰা বিধানসভা সমষ্টিৰ বিধায়ক দেৱব্ৰত শইকীয়াই আৰু শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ শিক্ষক গোটৰ দ্বাৰা প্ৰকাশিত গৱেষণা গ্ৰন্থ 'নিবন্ধ বিবিধা' North East India Challenges and Opportunities উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ পৰিক্ৰমা বিভাগৰ ডীন সুৰজিৎ বৰকটকীয়ে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ ক্ষেত্ৰ প্ৰধান জয়ন্ত দত্ত, অসম কলেজ অধ্যক্ষ পৰিষদৰ সভাপতি ড° সৌমাৰজ্যোতি মহন্ত, গড়গাঁও কলেজৰ অধ্যক্ষ ড° সব্যসাচী মহন্ত, দিখৌমুখ কলেজ অধ্যক্ষ ড° ৰণজিৎ বৰুৱা, বিদ্যালয়সমূহৰ পৰিদৰ্শক দেৱজ্যোতি গগৈ, সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকন আদি ব্যক্তিসকল। উদ্বোধনী অনুষ্ঠানৰ আঁত ধৰে উদযাপন সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক ড° বিমান চন্দ্ৰ বৰাই। এই মহোৎসৱত ২৪ জানুৱাৰীলৈ সাহিত্য-সংস্কৃতি আৰু সুকুমাৰ কলা বিষয়ৰ বিভিন্ন শিতানৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হ'ব। ২৪ জানুৱাৰীৰ দুপৰীয়া ১২ বজাত হ'বলগীয়া বঁটা-বিতৰণী আৰু সামৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আৰু আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰিব অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই।



যুৱ মহোৎসৱৰ স্মৃতিগ্ৰন্থ উন্মোচনৰ মুহূৰ্তত

সাংস্কৃতিক সম্পাদিকা গীতোৎপলা বৰুৱালৈয়ে আঁত ধৰা সাংস্কৃতিক সন্ধিয়াত উপস্থিত কেইবাজনেও গীত পৰিৱেশন কৰাৰ উপৰি, কণমানিসকল আৰু প্ৰাপ্তবয়স্কৰ নৃত্য, গীত, সাধু আৰু মুকলি বিহু পৰিৱেশনেৰে পৰিৱেশ মুখৰ কৰি তোলে। শেষত জাহ্নবী গগৈৰ শলাগৰ শৰাই আৰু অসমীয়া ব্যঞ্জনেৰে বিহু ভোজৰ জৰিয়তে অনুষ্ঠানৰ সামৰণি পৰে।